# Telephone Conversation between PM and Prime Minister of Sweden

April 07, 2020

## ভাৰত আৰু চুইডেনৰ প্ৰধানমন্ত্ৰীৰ মাজত টেলিফোনযোগে বাৰ্তালাপ

এপ্ৰিল 07, 2020

প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোডীয়ে আজি চুইডেনৰ মাননীয় প্ৰধানমন্ত্ৰী ষ্টীফেন ল'ফভেন সৈতে এক টেলিফোনিক বাৰ্তালাপত মিলিত হয়।

দুয়োগৰাকী নেতাই বৰ্তমানৰ ক'ভিড-19 মহামাৰীৰ বিষয়ে আলোচনা কৰাৰ লগতে দুয়োখন দেশৰ চৰকাৰে স্বাস্থ্য সংকটৰ পৰিপ্ৰেক্ষিতত গ্ৰহণ কৰা পদক্ষেপসমূহৰ বিষয়ে আলোচনা কৰে।

দুয়োগৰাকী নেতাই ভাৰত আৰু চুইডেনৰ মাজত গৱেষণাকাৰী আৰু বিজ্ঞানীসকলৰ তথ্য বিনিময় কৰাৰ লগতে ক'ভিড-19ৰ বিৰুদ্ধে যুদ্ধত সহযোগী হোৱাৰ বাবেও সহমত পোষণ কৰে।

বৰ্তমান ভ্ৰমণ নিৰ্দেশিকাৰ কাৰণে আৱদ্ধ হৈ থকা লোকসকলক দুয়োগৰাকী নেতাই প্ৰয়োজনীয় সুবিধা আৰু সাহাৰ্য দিয়াৰ প্ৰতিশ্ৰুতি দিয়ে।

দুয়োগৰাকী নেতাই ক'ভিড-19ৰ বিৰুদ্ধে যুঁজিবলৈ চিকিৎসাগত সামগ্ৰী যোগানৰ বাবে তেওঁলোকৰ বিষয়ববীয়াসকলে পৰস্পৰৰ সৈতে যোগাযোগ অব্যাহত ৰাখিব বুলি সন্মতি প্ৰদান কৰে।

**নতুন দিল্লী**
**এপ্ৰিল 07, 2020**

DISCLAIMER : This is an approximate translation. The original is available in English on MEA's website and may be referred to as the official press release.